**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-01-2026
**Time :** 18-00 Hrs

## ASSAMESE  EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। ধেমাজি আৰু ঢকুৱাখনা বিধানসভা সমষ্টিত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণৰ লগতে লখিমপুৰ জিলা কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন।

২। তেজপুৰ বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° পংকজ বৰা আৰু গৱেষিকা ড° চিন্ময়ী বৰুৱাৰ নেতৃত্বত হোৱা গৱেষণাত তেজ পৰীক্ষাৰে পিত্তাশয়ৰ কৰ্কট ৰোগ আগতীয়াকৈ চিনাক্তকৰণৰ দিশত অগ্ৰগতি।

৩। ৰাজ্যত শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰাত সহায় কৰাটো প্ৰতিটো ৰাজনৈতিক দলৰ দায়িত্ব বুলি মুখ্যমন্ত্ৰীৰ মন্তব্য।

**আৰু**

৪। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী কবিন্দ্ৰ পুৰকায়স্থৰ দেহাৱসান।

ooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ধেমাজি আৰু ঢকুৱাখনা বিধানসভা সমষ্টিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত প্ৰাৰম্ভিক মূলধনৰ চেক বিতৰণৰ দুটা কাৰ্যসূচীত অংশগ্ৰহণ কৰে। সমষ্টি দুটাৰ ৬৮ হাজাৰ ৯৪২ গৰাকী মহিলাক এই আঁচনিয়ে সামৰি লৈছে।

মুখ্যমন্ত্ৰীগৰাকীয়ে এই ভ্ৰমণতে লখিমপুৰ জিলাত ২৯৮ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। মাতমৰাত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে ১৪৮ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া ব্ৰহ্মপুত্ৰ সংহত বান আৰু খহনীয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পৰ নিৰ্মাণ বামুণী চাপৰিৰ পৰা টেকেলিফুটালৈ কৰা হ'ব। তেওঁ ২০ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া ফাটবিহু ক্ষেত্ৰৰ প্ৰথম পৰ্যায়ৰ উন্নয়ন প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীয়ে ১৫ কোটি টকা ব্যয়সাপেক্ষ বাসুদেৱ থান নৰোৱা সত্ৰৰ বিকাশৰ প্ৰথম পৰ্যায় আৰু ৯০ কোটি টকা ব্যয়সাপেক্ষে ঢকুৱাখনাৰ মহকুমা অসামৰিক চিকিৎসালয়ক ২০০ খন বিছনাযুক্ত চিকিৎসালয়লৈ উন্নীতকৰণ আৰু আবাসিক গৃহ নিৰ্মাণৰো আধাৰশিলা স্থাপন কৰে। নিশা ৮ বজাত মুখ্যমন্ত্ৰীয়ে ২৫ কোটি টকা ব্যয়েৰে লখিমপুৰত নিৰ্মিত ৮৯০ খন আসনযুক্ত ড° ভূপেন হাজৰিকা টাউন হল নামৰ অত্যাধুনিক প্ৰেক্ষাগৃহও উদ্বোধন কৰিব।

ooooo

ৰাজ্যত এখন শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰাৰ ক্ষেত্ৰত সহযোগ কৰাটো প্ৰতিটো ৰাজনৈতিক দলৰ দায়িত্ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰিছে। আজি ধেমাজিত উদ্যমিত অভিযানৰ অধীনত হিতাধিকাৰীসকলক চেক বিতৰণৰ পাছত সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে অবৈধ নাগৰিকৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰাৰ বাবে বিজেপি নেতৃত্বাধীন চৰকাৰে প্ৰথমৰে পৰাই কঠোৰ স্থিতি গ্ৰহণ কৰি আহিছে। সন্দেহজনক নাগৰিকৰ বিৰুদ্ধে প্ৰতিগৰাকী ভাৰতীয় নাগৰিকে ৬, ৭ আৰু ৮ নম্বৰ নিৰ্ধাৰিত প্ৰ-পত্ৰ পূৰণ কৰি অভিযোগ দাখিল কৰিব পাৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

বাইট

উল্লেখযোগ্য যে, ৰাজ্যৰ বিভিন্ন অঞ্চলৰ পৰা উচ্ছেদিত লোকসকলৰ নাম সেই অঞ্চলৰ ভোটাৰ তালিকাত নাথাকিব বুলিও মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই স্পষ্ট কৰি দিছে। দখলীকৃত ভূমি দখলমুক্ত কৰিবলৈ ৰাজ্য চৰকাৰে কঠোৰভাৱে উচ্ছেদ অভিযান চলাই যাব বুলি প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে উচ্ছেদিত লোকসকল যদি কোনো এটা স্থানলৈ গৈ নতুনকৈ বসতি কৰিবলৈ লয় নাইবা ভাৰাতীয়া হিচাপে থাকে তেতিয়া তেওঁলোকৰ নাম তালিকাত অন্তৰ্ভুক্ত হ'ব পাৰে।

00000

তেজপুৰ বিশ্ববিদ্যালয়ৰ আণৱিক জীৱ বিজ্ঞান আৰু জৈৱ প্ৰযুক্তি  বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° পংকজ বৰা আৰু গৱেষিকা ড° চিন্ময়ী বৰুৱাৰ নেতৃত্বত সম্পন্ন হোৱা শেহতীয়া গৱেষণাত তেজত থকা বিপাক প্ৰক্ৰিয়াত প্ৰয়োজনীয় কিছুমান নিৰ্দিষ্ট ৰাসায়নিক উপাদান চিনাক্ত কৰা হৈছে। এই উপাদানৰ সহায়ত পিত্তাশয়ৰ কৰ্কট ৰোগ আগতীয়াকৈ, সহজে আৰু তুলনামূলকভাৱে কম খৰছত ধৰা পেলোৱা সম্ভৱ হ্ব বুলি আশা কৰা হৈছে। গৱেষণাটোৱে পিত্তাশয় পাথৰৰ সৈতে জড়িত আৰু পাথৰবিহীন কৰ্কট ৰোগ পৃথককৈ চিনাক্ত কৰাৰ নতুন পথো মুকলি কৰিছে। চিকিৎসা বিশেষজ্ঞসকলে প্ৰকাশ কৰা মতে এই আৱিষ্কাৰে গম নোপোৱাকৈ বাঢ়ি যোৱা পিত্তাশয়ৰ কৰ্কট ৰোগক প্ৰাথমিক পৰ্যায়তে চিনাক্ত কৰাত সহায় কৰিব। অসমসহ সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলত পিত্তাশয়ৰ কৰ্কট ৰোগ গুৰুতৰ সমস্যাৰূপে দেখা দিছে। বিশ্বৰ পৰিসংখ্যা অনুসৰি পিত্তাশয়ৰ কৰ্কট ৰোগীৰ সংখ্যাৰ ক্ষেত্ৰত চিলি আৰু বলিভিয়াৰ পিছতে ভাৰতৰ স্থান আৰু দেশৰ ভিতৰত অসমৰ এই ৰোগৰ প্ৰাদুৰ্ভাৱ সৰ্বাধিক।

00000

প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী কবিন্দ্ৰ পুৰকায়স্থৰ আজি শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাত দেহাৱসান ঘটে। ৯৫ বছৰ বয়সত মৃত্যু হোৱা প্ৰয়াত পুৰকায়স্থ দীৰ্ঘদিন ধৰি অসুস্থ হৈ আছিল। ১৯৩১ চনৰ ১৫ ডিচেম্বৰত অবিভক্ত অসমৰ শ্ৰীহট্ট জিলাৰ কমাৰশালত জন্মগ্ৰহণ কৰা পুৰকায়স্থৰ পৰিয়ালে পৰৱৰ্তী কালত কাছাৰ জিলাত স্থায়ীভাৱে বসবাস কৰিবলৈ লয়। যুৱ অৱস্থাতে তেতিয়াৰ ভাৰতীয় জনসংঘত যোগদান কৰা কবিন্দ্ৰ পুৰকায়স্থই বৰাক উপত্যকাতে নহয় সমগ্ৰ ৰাজ্যতে ভাৰতীয় জনতা পাৰ্টিৰ সাংগঠনিক স্থিতি শক্তিশালী কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। দলৰ স্বাৰ্থত তেওঁ এখন বিদ্যালয়ৰ অধ্যক্ষৰ পদ ত্যাগ কৰি সম্পূৰ্ণৰূপে দলীয় কাম-কাজত মনোনিৱেশ কৰিছিল। ১৯৯১ চনত তেওঁ প্ৰথমবাৰৰ বাবে লোকসভালৈ নিৰ্বাচিত হয়। বিজেপিৰ জ্যেষ্ঠ নেতাগৰাকী ১৯৯৮ চনৰ পৰা ১৯৯৯ চনলৈ অটল বিহাৰী বাজপেয়ী চৰকাৰৰ যোগাযোগ বিভাগৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী আছিল। প্ৰয়াত নেতাগৰাকীৰ নশ্বৰদেহ আজি নিশাটো শিলচৰতে ৰখা

হ'ব আৰু কাইলৈ তেওঁৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হ'ব। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ মৃত্যুত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ডা০ ৰণোজ পেগু, পীযূষ হাজৰিকা, ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াৰ লগতে কেইবাগৰাকীও মন্ত্ৰী-বিধায়কে শোক প্ৰকাশ কৰিছে। ভাৰতীয় জনতা পাৰ্টিৰ অন্যতম প্ৰতিষ্ঠাপক গৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই ৰাজ্যিক বিজেপিয়ে কাইলৈ সকলো দলীয় কাৰ্যসূচী বাতিল কৰাৰ লগতে দলটোৰ সকলো কাৰ্যালয়ত দলীয় পতাকা অৰ্ধনমিত কৰি ৰাখিবলৈ ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই আহ্বান জনাইছে।

ooooo

শিৱসাগৰত আধাৰশিলা ন্যাসৰ উদ্যোগত অহা ৫ ফেব্ৰুৱাৰীৰ পৰা ৪ দিনীয়া কাৰ্যসূচীৰে ব্ৰহ্মপুত্ৰ সাহিত্য উৎসৱ ২০২৬ অনুষ্ঠিত হব। বিশিষ্ট সাহিত্যিক ৰীতা চৌধুৰীয়ে আজি শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ত এখন সংবাদমেলত এই বিষয়ে সদৰি কৰে। তেওঁ কয় যে শব্দ, লয় আৰু কলাৰ জৰিয়তে মানৱতাৰ জয়গান গোৱাৰ বাবে এই সাহিত্য উৎসৱৰ আয়োজন কৰা হৈছে।

বাইট

এই উৎসৱ শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ লগতে দিচাংমুখ আৰু বৰ্ডিং খেলপথাৰত অনুষ্ঠিত হ'ব। এই উৎসৱত ম্যানমাৰ, কেনিয়া, হাংগেৰী, শ্লোকাভিয়াসহ পৃথিৱীৰ বিভিন্ন দেশৰ বক্তা, বুৰঞ্জিবিদ আৰু সাহিত্যিকে অংশগ্ৰহণ কৰিব। উৎসৱৰ লগতে সংগীতানুষ্ঠানৰো আয়োজন কৰা হ'ব। এই উৎসৱত বড়ো আৰু মিছিং জনগোষ্ঠীৰ সংস্কৃতি, সাহিত্য, আৰু লোকাচাৰত বিশেষ গুৰুত্ব দিয়া হ'ব। উৎসৱৰ অংশ হিচাপে বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ত আলোচনাচক্ৰও অনুষ্ঠিত কৰা হ'ব। ইয়াৰ উপৰি শান্তি নিকেতনৰ পৰা অহা এটা দলে চিত্ৰকলা সন্দৰ্ভত কৰ্মশালা অনুষ্ঠিত কৰিব। দিচাংমুখৰ বালিচাপৰিত কবিতাৰ অনুষ্ঠানৰো আয়োজন কৰা হ'ব।

ooooo

ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী অশোক সিংহলে আজি চৰাইদেউ মৈদাম পৰিদৰ্শন কৰাৰ লগতে অহা ৯ জানুৱাৰীৰ পৰা হ'বলগীয়া চৰাইদেউ মহোৎসৱৰ প্ৰস্তুতিৰ বুজ লয়। পৰিদৰ্শনৰ অন্তত ইউনেস্কোৰ বিশ্ব ঐতিহ্যৰ তালিকাত স্থান পোৱাৰ পাছত চৰাইদেউ মৈদামৰ গুৰুত্ব বিশ্ব দৰবাৰত বৃদ্ধি পোৱা বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। লগতে মন্ত্ৰীগৰাকীয়ে আহোম ৰাজত্বকালৰ ইতিহাস বিজড়িত মৈদামসমূহৰ সংৰক্ষণ আৰু ইয়াৰ ঐতিহাসিক গুৰুত্বৰ বিষয়ে কৰ্তৃপক্ষৰ সৈতে আলোচনা কৰে।

ooooo

অহা ২০ জানুৱাৰীত অনাতাঁৰ মৰম আকলুৱা পৰিয়ালৰ পঞ্চম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস ধেমাজি জিলাৰ মাছখোৱাৰ যোৰকটা সমন্বয় ক্ষেত্ৰত আয়োজন কৰা হৈছে। অনাতাঁৰ মৰম আকলুৱা পৰিয়ালে প্ৰতিবছৰে কেইবাটাও বঁটা প্ৰদান কৰি আহিছে। আকাশবাণীৰ নিয়মীয়া শ্ৰোতা তথা পত্ৰ লেখক বিশ্বনাথৰ নিগম গাঁৱৰ শৰৎ দুৱৰা, ধেমাজি জিলাৰ মাছখোৱাৰ অজিৎ দিহিঙ্গীয়া আৰু যোৰহাট জিলাৰ জাঁজীৰ দীনেশ শৰ্মাই এই বৰ্ষৰ ৰেডিঅ' অনুৰাগী শ্ৰোতা বন্ধু বঁটা লাভ কৰিছে। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ ঘোষিকা কৰবী হাজৰিকা, ডিব্ৰুগড় কেন্দ্ৰৰ ঘোষিকা ৰীতা গগৈ বৰা, যোৰহাট কেন্দ্ৰৰ ঘোষক দিগন্ত বৰা আৰু তেজপুৰ কেন্দ্ৰৰ ঘোষক ত্ৰলোক্য বৰাই এই বৰ্ষৰ বিশেষ ঘোষক-ঘোষিকা বঁটা লাভ কৰিছে। একেদৰে দেৰগাঁৱৰ সাংবাদিক নিৰঞ্জন

দাসে এই বৰ্ষৰ যুৱ সাংবাদিকতা বঁটা আৰু আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত ঘোষক ৰূপজ্যোতি দুৱৰাই এই বৰ্ষৰ অনুষ্ঠান প্ৰযোজকৰ বঁটা লাভ কৰিছে। অনাতাঁৰ কণ্ঠশিল্পী সংগীতা বৰঠাকুৰক ছৈয়দ ছাদ্দুলাৰ সোঁৱৰণত অনাতাঁৰ মৰম আকলুৱা পৰিয়ালে এটা বিশেষ বঁটা প্ৰদান কৰিব। কণ্ঠশিল্পী, সুৰকাৰ ৰাজেন গোহাঁইক জুবিন গাৰ্গৰ সোঁৱৰণত এটা বিশেষ বঁটা প্ৰদান কৰা হ'ব। বঁটাসমূহত একোটাকৈ ৰেডিঅ', সম্বৰ্ধনা পত্ৰ, এটা নাহৰ পুলি, অংগ বস্ত্ৰ, জাপি, গামোচা, মানপত্ৰৰ লগতে একোটাকৈ কিতাপৰ টোপোলা থাকিব। অনাতাঁৰ মৰম আকলুৱা পৰিয়ালৰ পঞ্চম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ দিনা এই বঁটাসমূহ প্ৰদান কৰা হ'ব।

ooooo

সমাপ্ত